# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI

0000000000

**Date : 17-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::***

ডিব্ৰুগড়ৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰি অহা ২০ ছেপ্তেম্বৰত ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ প্ৰভাতী বিমান সেৱা আৰম্ভ হ'ব। সেইদিনাই যোৰহাটৰ পৰা নতুন দিল্লীলৈ আন এখন নতুন বিমানৰ উৰণো আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উজনি অসমৰ তিনিখন জিলা ডিব্ৰুগড়, লখিমপুৰ আৰু শিৱসাগৰ ভ্ৰমণ সামৰি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰী সচিবালয়ত এখন সংবাদ মেলত আজি এই কথা প্ৰকাশ কৰে। ইণ্ডিগ' বিমান সংস্থাৰ সৈতে হোৱা বৈঠক মৰ্মে এই সেৱা আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ড০ শৰ্মাই শিৱসাগৰৰ ভটিয়াপাৰৰ অ' এন জি চিৰ গেছ্ নিৰ্গমনৰ ফলত ক্ষতিগ্ৰস্ত ৩৩২টা পৰিয়ালক মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা ২৫ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদান কৰাৰ কথাও সংবাদমেলত ঘোষণা কৰে।

০০০০

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে আজি শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈল ক্ষেত্ৰৰ অধীনৰ ১৪৭ নম্বৰ ৰীগত বিগত কেইবাদিনো ধৰি হৈ থকা গেছ্ নিৰ্গমন ৰোধ কৰাৰ বাবে তেল আৰু প্ৰাকৃতিক গেছ্ নিগমে চলাই থকা প্ৰচেষ্টাৰ বুজ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে তেল আৰু প্ৰাকৃতিক গেছ্ নিগমৰ বিভিন্ন কেন্দ্ৰৰ পৰা বিশেষজ্ঞ লোকসকলক অনা হৈছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে উচ্চ ক্ষমতা সম্পন্ন পাম্প ব্যৱহাৰ কৰা হৈছে। তেওঁ লগতে কয়, যে অ' এন জি চিৰ বিষয়াসকল আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞসকলৰ সৈতে নিৰন্তৰ যোগাযোগত আছে। অঞ্চলটোত জুই ৰোধ কৰা আৰু পৰিৱেশ শীতল কৰি ৰখাৰ বাবে অহৰহ পাম্পেৰে পানীৰ এটা আৱৰণ সৃষ্টি কৰা হৈছে।

ইপিনে, অ' এন জি চি অসম এছেটৰ কাৰ্যবাহী সঞ্চালক  ভাস্কৰ চৌধুৰীয়ে ভটিয়াপাৰ বনগাওঁ হাইস্কুলত স্থাপন কৰা অস্থায়ী আশ্ৰয় শিবিৰৰ এখন সংবাদমেলত কয় যে গেছ্ নিৰ্গমন বন্ধ কৰাৰ বাবে সকলো ধৰণৰ চেষ্টা অব্যাহত আছে। তেওঁ কয় যে গেছ নিৰ্গমন পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে। তেঁও অৱশ্যে নিৰ্গমন  কেতিয়ালৈকে সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ হ'ব সেই বিষয়ে এতিয়াই স্পষ্টকৈ কব পৰা নাযাই বুলি মন্তব্য কৰে।

০০০০

উত্তৰ পূৰ্বাঞ্চলে দেশৰ বিকাশ আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি তথা ধৰিত্ৰী বিজ্ঞান ৰাজ্যমন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। দুদিনীয়া ভ্ৰমণসূচীৰে নাগালেণ্ডত

থকা মন্ত্ৰীগৰাকীয়ে আজি ওখা গাঁৱত ৰাষ্ট্ৰযোৰা  ধৰতি আৱা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযান মুকলি কৰি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে উত্তৰ পূৰ্বাঞ্চলৰ বিশেষকৈ নাগালেণ্ডৰ নিচিনা ৰাজ্যসমূহে গোলকীয় শক্তি হিচাপে ভাৰতৰ উত্থানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০

গৃহ মন্ত্ৰালয়ে পৰৱৰ্তী দুটা দিনত গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিজুলী ধেৰেকনিৰে ধাৰাষাৰ বৰষুণ হব পাৰে বুলি ভাৰতীয় বতৰ বিজ্ঞানে আশংকা প্ৰকাশ কৰাৰ্লৈ চাই অসমৰ বাবে ৰেড এলাৰ্ট জাৰি কৰিছে। মন্ত্ৰালয়ে ৰাজ্য চৰকাৰক জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ দিছে। অৱশ্যে বতৰ বিজ্ঞান বিভাগে বৰষুণ দিয়াৰ পাছতো উষ্ম আৰু আদ্ৰ অৱস্থা অব্যাহত থকাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা আগলিবতৰা অনুসৰি এই সময়ছোৱাত ৰাজ্যখনৰ তাপমাত্ৰা ৩৭ ৰ পৰা ৩৮ ডিগ্ৰী ছেলছিয়াছৰ ভিতৰত থাকিব যদিও তাপমাত্ৰা ৪৬ ডিগ্ৰী ছেলছিয়াছ যেন অনুভৱ হ'ব। ইপিনে, বিশ্বনাথ আৰু লখিমপুৰ জিলাৰ ১০ খন গাওঁ এতিয়াও বানৰ কবলত আছে।

০০০০

ৰাষ্ট্ৰীয় ঔষধীয় শিক্ষা গৱেষণা সংস্থা নাইপাৰৰ সপ্তম সমাৱৰ্তন কাইলৈ অনুষ্ঠিত হব। চাংসাৰিস্থিত নাইপাৰৰ চৌহদত আয়োজিত এই অনুষ্ঠানত দহ গৰাকী গৱেষক ছাত্ৰ-ছাত্ৰী, ২০২২-২৪ বৰ্ষৰ ১৪৪ গৰাকী স্নাতকোত্তৰ আৰু ২০২৩-২৫ বৰ্ষৰ ২১২ গৰাকী ছাত্ৰ-ছাত্ৰীসহ মুঠ ৩৬৬ গৰাকী শিক্ষাৰ্থী ডিগ্ৰী লাভৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই মুখ্য অতিথি হিচাপে আৰু কেন্দ্ৰীয় চৰকাৰৰ ঔষধ বিভাগৰ সচিব অমিত আগৰৱালাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

০০০০

জলসিঞ্চন, স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী তথা বিশ্বনাথ জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত জ্যেষ্ঠ বিষয়াবৰ্গৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়, এটি কলি দুটি পাত, মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, মিছন বসুন্ধৰা আৰু অন্যান্য আঁচনিলৈ আলোচনা কৰা হয়। সাংসদ ৰঞ্জিত দত্ত, বিধায়ক উৎপল বৰা, দিগন্ত ঘাটোৱাল, প্ৰমোদ বৰঠাকুৰ, আয়ুক্ত মনীন্দ্ৰ নাথ ঙাটেৰ লগতে উচ্চ পদস্থ বিষয়াসকল বৈঠকত উপস্থিত থাকে।

০০০০

আয়ুষ মন্ত্ৰালয়ৰ অধীনৰ মোৰাৰজী দেশাই ৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠানৰ সহযোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উদ্যোগত আজি নগাঁৱত এখন যোগ কৰ্মশালা অনুষ্ঠিত হয়। নগাঁও চহৰৰ কেইবাখনো বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰা অনুষ্ঠানত জিলাখনৰ নৱনিযুক্ত আয়ুক্ত দেৱাশীষ শৰ্মাই উদ্বোধনী ভাষণ দিয়ে। জিলা আয়ুক্তগৰাকীয়ে যোগৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক, মানসিক উৎকৰ্ষ সাধনৰ লক্ষ্যৰে এই কৰ্মশালাৰ আয়োজন কৰাৰ বাবে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ শলাগ লয়।

০০০০

সমাপ্ত